# **REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 22-06-2026 **Time :** 1100 Hrs.

আজি নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব।

অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা দেৱালয়ত আজিৰে পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী মেলা উপলক্ষে দেশ-বিদেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সাধু-সন্যাসী তথা ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা পৰিলক্ষিত হৈছে।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

oooooo

ৰাজ্য চৰকাৰৰ জলসম্পদ আৰু ন্যায়িক দপ্তৰৰ মন্ত্ৰী সুশান্ত বৰগোহাঁইয়ে কালি শিৱসাগৰ জিলাৰ ডিমৌ পৌৰ সভাৰ পদেন সদস্য হিচাপে শপত গ্ৰহণ কৰে। ডিমৌ আলোন নগৰৰ নৱ-নিৰ্মিত বকুল বনত অনুষ্ঠিত এই শপত গ্ৰহণ অনুষ্ঠানত ডিমৌ সম জিলা আয়ুক্ত লুকুমণি বৰাই তেওঁক শপতবাক্য পাঠ কৰোৱায়। অনুষ্ঠানত মন্ত্ৰীগৰাকীক ডিমৌ পৌৰসভা আৰু সমজিলা আয়ুক্ত কাৰ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। শপত গ্ৰহণৰ পাছত মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয় –

বাইট

ooooooo

লখিমপুৰ জিলাৰ শ্ৰীশ্ৰীপদুমণি আইথানৰ ৰংগমঞ্চত কালি এটা বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। ৰাজ্যৰ অগ্ৰণী সামাজিক সংস্থা **শিক্ষক প্ৰকাশন সংস্থা অসম**ৰ উজনি অসমভিত্তিক এই বঁটা প্ৰদান কৰা হয়। উজনি অসমৰ বিভিন্ন জিলাৰ প্ৰায় ৮০ গৰাকী লোকক সমাজ হিতৈষী বঁটা, সুগন্ধি কাব্য বঁটা, জীৱন সমৃদ্ধ বঁটা, মানৱ দৰদী বঁটা, গুৰু চৰিত বঁটা, সত্যনিষ্ঠ সাংবাদিকতা বঁটাকে ধৰি অন্যান্য কেইবাটাও বঁটা প্ৰদান কৰা হয়।

~~ooooooo~~

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কাইলৈ দিনৰ ১১ বজাত হাইস্কুল শিক্ষান্ত কম্পাৰ্টমেণ্টেল পৰীক্ষা ২০২৬ৰ ফলাফল ঘোষণা কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। পৰিষদে জনোৱা অনুসৰি পৰীক্ষাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ চৰকাৰী ৱেবছাইটৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফলসমূহ লাভ কৰিব পাৰিব।

ooooooooo

ধেমাজিৰ মৰিচল হাঁহচৰাত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন বেংক বিষয়াৰ মৃত্যু হয়। লক্ষী পথাৰৰ দিশৰ পৰা ধেমাজি অভিমুখে আহি থকা চাৰিচকীয়া এখন বাহন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা এটা পুখুৰীত সোমাই পৰাৰ ফলত গাড়ীখনৰ চালক আৰু আৰোহী দুয়োগৰাকীৰ মৃত্যু হয়। মৃত্যু হোৱা লোক দুজন ধেমাজি ষ্টেট বেংক অব্ ইণ্ডিয়াৰ মূল শাখাৰ কোষাধ্যক্ষ হীৰকজ্যোতি মিলি আৰু গাণনিক ৰাতুল কোঁৱৰ বুলি আমাৰ ধেমাজিৰ সংবাদদাতাই জনাইছে।

0000000

উত্তৰ-পূৰ্বাঞ্চলত এইচ আই ভি ৰোগীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ ২০২৫-২৬ বৰ্ষৰ প্ৰতিবেদনত এই কথা প্ৰকাশ পাইছে। এই প্ৰতিবেদন অনুসৰি অসমত বৰ্তমান ৩৩ হাজাৰ ১৪৫ গৰাকী লোক এই ৰোগত আক্ৰান্ত। উত্তৰ-পূৰ্বাঞ্চলত এইচ আই ভি আক্ৰান্ত প্ৰায় ১৩ হাজাৰ ৮০৯ গৰাকী মহিলাৰ ভিতৰত ৬ হাজাৰ ৮০৯ গৰাকী মহিলাই অসমৰ বুলি প্ৰতিবেদনখনত প্ৰকাশ পাইছে। অসমৰ জনগাঁথনি আৰু উত্তৰ-পূবৰ আন ৰাজ্যসমূহ সংযোগ কৰা প্ৰধান পৰিবহণ আৰু বাণিজ্যিক কেন্দ্ৰ হিচাপে পৰিগণিত হোৱা বাবে অসমত ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে। এই প্ৰতিবেদন অনুসৰি অসমত এই ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা প্ৰায় ০ দশমিক ১—৩ শতাংশ।

00000000

**সমাপ্ত**